# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-01-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

---

আজি মে-ডাম-মেফি। আহোম জনগোষ্ঠীয় লোকসকলে পৰম্পৰা ৰীতি-নীতিৰে উপৰি পুৰুষক স্মৰণ কৰাৰ উদ্দেশ্যে এই অনুষ্ঠান পালন কৰে।

টাই-আহোমসকলৰ এই পবিত্ৰ অনুষ্ঠানটিৰ বাবে ৰাজ্যৰ বিভিন্ন প্ৰান্তত ব্যাপক প্ৰস্তুতি পৰিলক্ষিত হৈছে। শিৱসাগৰ জিলাৰ কাৰেংঘৰ, তলাতল ঘৰ, চৰাইদেউৰ মৈদাম প্ৰাঙ্গণ, লেচাই মৈদামত এই অনুষ্ঠান আয়োজন কৰা হৈছে। শিৱসাগৰ চহৰৰ সমীপৰ হাঁহচৰাত দুদিনীয়াকৈ  মে-ডাম-মেফি কেন্দ্ৰীয়ভাৱে আয়োজন কৰা হৈছে। ধেমাজিৰ জিলাৰ লগতে গুৱাহাটীৰ হেঙেৰাবাৰী, গণেশগুৰি, পাথৰকুৰেৰীত পূৰ্বপুৰুষসকলক শ্ৰদ্ধা তৰ্পণৰ উদ্দেশ্যে মে-ডাম-মেফি অনুষ্ঠান আয়োজন কৰা দেখিবলৈ পোৱা গৈছে। এই উপলক্ষে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সমূহ অসমবাসীলৈ শুভেচ্ছা জনোৱাৰ লগতে পু-লিন, পু-থাওসকলক শ্ৰদ্ধা নিবেদন কৰিছে।

০০০০০০

যোৱা ২৫ জানুৱাৰীৰ নিশা আমাৰ কেন্দ্ৰৰ দৃষ্টিপাতত প্ৰচাৰিত এই বছৰৰ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষা সংক্ৰান্তিয় বিশেষ আলোচনাৰ অনুষ্ঠানটো আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ পৰা আজি দিনৰ ১১ বজাত পুনৰ প্ৰচাৰৰ দিহা কৰা হৈছে। শিক্ষাৰ্থী আৰু অভিভাৱকসকলৰ মনত উদ্ৰেক হোৱা ভালেমান বিষয় সন্দৰ্ভত এই অনুষ্ঠানত মনোজ্ঞ আলোচনা প্ৰচাৰিত হৈছিল। আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে আঁত ধৰা এই অনুষ্ঠানটোত ভাগ লৈছিল ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ মণ্ডল ১-ৰ পৰীক্ষা নিয়ন্ত্ৰক নয়নজ্যোতি শৰ্মা আৰু মণ্ডল ২-ৰ পৰীক্ষা নিয়ন্ত্ৰক ৰঞ্জন কুমাৰ দাসে। এই অনুষ্ঠান মিডিয়াম ৱেভৰ ৫২৯.১ মিটাৰ অৰ্থাৎ ৫৬৭ কিলোহাৰ্টজ আৰু এফ এম বেণ্ডৰ ১০১.৩ মেগাহাৰ্টজত শুনিবলৈ পাব। ৪৩ মিনিটৰ এই অনুষ্ঠান নিউজ অন এয়াৰ এপতো শ্ৰোতাসকলে শুনিবলৈ পাব।

০০০০০০

বজালী জিলাৰ পাঠশালাত আজিৰে পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বি-বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হ'ব। এই অধিবেশনৰ কেন্দ্ৰ কৰি সমগ্ৰ জিলাখনতে উৎসাহ উদ্দীপনাৰ পৰিৱেশে বিৰাজ কৰিছে।

আজি পুৱা চাৰে ৮ বজাত নামঘৰৰ দ্বাৰ উদ্ঘাটনেৰে সাহিত্য সভাৰ পাঠশালা অধিৱেশনৰ কাৰ্যসূচী আৰম্ভ হ'ব। বামাখাটা সত্ৰৰ সত্ৰাধিকাৰ প্ৰবোধ দেৱ অধিকাৰীয়ে নামঘৰৰ দ্বাৰ মুকলি কৰিব আৰু নাজিৰাৰ সমাজকৰ্মী যতীন লাহনে বন্তি প্ৰজ্বলন কৰিব। পুৱা ৯ বজাত পাঠশালা অধিৱেশনৰ আদৰণি সমিতিৰ সভাপতি ৰঞ্জিত কুমাৰ দাসে ভট্টদেৱ ক্ষেত্ৰ মুকলি কৰিব।

০০০০০০

সদৌ অসম সাংবাদিক সন্থাৰ যোৰহাট জিলা সমিতি আৰু সাংবাদিক কল্যাণ নিধিৰ উদ্যোগত কালি যোৰহাটত আয়োজিত এটা অনুষ্ঠানত আকাশবাণী আৰু দূৰদৰ্শনৰ চৰাইদেউ জিলাৰ সংবাদদাতা নবুল কোঁৱৰক

২০২৪ বৰ্ষৰ দেৱকুমাৰ বৰা সোঁৱৰণী মিডিয়া ফেল'শ্বিপ প্ৰদান কৰা হয়। **কৃষি ভিত্তিক উদ্যোগৰ জৰিয়তে যুৱ সৱলীকৰণত সংবাদ মাধ্যমৰ ভূমিকা** শীৰ্ষক গৱেষণা পত্ৰৰ বাবে সাংবাদিকগৰাকীক এই মিডিয়া ফেল'শ্বিপ প্ৰদান কৰা হয়। সাংবাদিক কল্যাণ নিধিৰ সম্পাদক তথা জ্যেষ্ঠ সাংবাদিক নৱজ্যোতি বৰাই আঁত ধৰা এই অনুষ্ঠানত **অসমৰ সংবাদসেৱাৰ ঐতিহ্য আৰু প্ৰত্যাহ্বান** শীৰ্ষক এটি বক্তৃতা অনুষ্ঠানৰো আয়োজন কৰা হয়। এই অনুষ্ঠানতে জিলাখনৰ কেইবাজনো বাতৰিকাকত বিলোৱা লোকক সম্বৰ্ধনা জনোৱা হয়।

০০০০০০

ৰাজ্য চৰকাৰে অহা ২৪ ফেব্ৰুৱাৰীত আয়োজন কৰা ঝুমুৰ নৃত্যৰ সৰ্ববৃহৎ অনুষ্ঠানটিৰ বাবে জিলাই জিলাই প্ৰস্তুতি চলি আছে। ঝুমুইৰ বিনন্দিনী শীৰ্ষক এই অনুষ্ঠানৰ বাবে তিনিচুকীয়া জিলাত ব্যাপক প্ৰস্তুতি চলি আছে। জিলাখনৰ ডিগবৈ, মাৰ্ঘেৰিটা, শদিয়া আৰু ডুমডুমাত ২৮ জানুৱাৰীৰ পৰা অনুষ্ঠিত এই প্ৰশিক্ষণৰ আজি সামৰণি পৰিব। ডিগবৈ চহৰৰ জুবিলী খেলপথাৰত অনুষ্ঠিত আখৰাত সমষ্টিটোৰ অন্তৰ্গত ২০০ৰো অধিক শিল্পীয়ে অংশগ্ৰহণ কৰিছে।

০০০০০০

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত চলি থকা মহাকুম্ভ মেলাত অংশ ল'বলৈ যোৱা অসমৰ তিনিগৰাকী মহিলা সন্ধানহীন হোৱাৰ তথ্য পোহৰলৈ আহিছে। এই তিনিগৰাকী মহিলাৰ দুগৰাকী তিনিচুকীয়াৰ আৰু এগৰাকী বিশ্বনাথ চাৰিআলিৰ বুলি জানিব পৰা গৈছে। প্ৰাপ্ত তথ্য অনুসৰি তিনিচুকীয়াৰ পৰ্বতীয়াৰ নিউ ক'লনিৰ ফিডাৰৰোডৰ নিবাসী জোৎস্না দেব যোৱা ২৮ জানুৱাৰীৰ পৰা সন্ধানহীন হৈ আছে। ইপিনে তিনিচুকীয়াৰ বৰহাপজানৰ লীলা দেৱী ২৯ জানুৱাৰীৰ পৰা সন্ধানহীন হৈ আছে। পৰিয়ালৰ সদস্যৰ সৈতে মহাকুম্ভ মেলাত পূণ্যস্নান কৰিবলৈ গৈ লীলা দেৱী সন্ধানহীন হয়। সন্ধানহীন হৈ থকা মহিলাকেইগৰাকীৰ সম্পৰ্কত উত্তৰ প্ৰদেশৰ আৰক্ষীৰ সৈতে অসম আৰক্ষীয়ে যোগাযোগ অব্যাহত ৰাখিছে।

০০০০০০

কৃত্ৰিম বানপানীৰ বুজ লোৱাৰ উদ্দেশ্যে ফ্ৰান্সৰ এটা বিশেষজ্ঞ দল কালি ডিব্ৰুগড়ত উপস্থিত হয়। ফ্ৰান্স চৰকাৰৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত **এথলেটিক** নামৰ সংস্থাটোৰ বিশেষজ্ঞ দলটোৱে ডিব্ৰুগড়ৰ কেইবাটাও স্থানৰ নলাসমূহ পৰিদৰ্শন কৰাৰ লগতে কৃত্ৰিম বান সমস্যাৰ কাৰকসমূহৰ বুজ লয়। ডিব্ৰুগড়ৰ পৌৰ নিগমৰ মেয়ৰ ডাঃ সৈকত পাত্ৰ আৰু কাৰ্যবাহী বিষয়া নভাছ দাসে পৰিদৰ্শনকালত বিশেষজ্ঞ দলটোক সংগ দিয়ে।

০০০০০০

সমাপ্ত